Total number of printed pages–7

**3 (Sem – 6/CBCS) ASM HC 1**

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No. ______
Date ______
Nagaon · Assam

**2026**

# ASSAMESE

(Honours Core)

Paper : ASM – HC – 6016

*( অসমীয়া চুটিগল্প আৰু উপন্যাস )*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ *যিকোনো দহটা* প্ৰশ্নৰ অতি চমুকৈ উত্তৰ দিয়া ঃ ১×১০=১০

(ক) 'ধন্য নৰ তনু ভাল' উপন্যাসখন কাৰ জীৱনৰ আধাৰত ৰচিত?

(খ) বড়ো বীৰংগনা থেংফাখ্ৰীৰ জীৱনৰ ওপৰত ভিত্তি কৰি লিখা মামণি ৰয়চম গোস্বামীৰ উপন্যাসখনৰ নাম কি?

(গ) 'অসীমত যাৰ হেৰাল সীমা' উপন্যাসখন কাৰ ৰচনা?

(ঘ) চাহ বাগানৰ পটভূমিত ৰচিত *এখন* অসমীয়া উপন্যাসৰ নাম লিখা।

(ঙ) 'মৃত্যুঞ্জয়' উপন্যাসখনৰ বাবে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই কিমান চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

(চ) ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাসখনৰ নাম কি?

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদ্মকুমাৰী' কোনখন কাকতত প্ৰথমে প্ৰকাশিত হৈছিল?

(জ) পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' কিমান খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল?

(ঝ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটোত মালতীক কোনে ঘৰবাৰী এৰি পলাই যাবলৈ কৈছিল?

(ঞ) অসমীয়া চুটিগল্পৰ ক্ৰমবিৱৰ্তনত 'কেৰাণীৰ কপাল' গল্পটোৰ এক বিশিষ্ট স্থান আছে। গল্পটোৰ ৰচকজনৰ নাম কি?



(ট) বীণা বৰুৱাৰ *এখন* গল্পপুথিৰ নাম লিখা।

(ঠ) লক্ষ্মীনাথ বেজবৰুৱাৰ লগতে আন কেবাজনো গল্পকাৰে প্ৰাৰম্ভিক কালৰ অসমীয়া চুটিগল্পক সমৃদ্ধ কৰিছিল। তেনে *এজন* গল্পকাৰৰ নাম লিখা।

(ড) ড০ সূৰ্যকুমাৰ ভূঞাই ৰচনা কৰা *এটা* গল্পৰ নাম লিখা।

(ঢ) Brander Matthews য়ে উল্লেখ কৰা 'Unity of impression' কথাযাৰে অসমীয়াত কি বুজায়?

(ণ) প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম কি?

DHEKIAL PHOOKAN COLLEGE LIBRARY Acc. No. Date

২। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া ঃ

২×৫=১০

(ক) 'হাওদা' কি?

(খ) "ইতিমধ্যে আফিঙৰ আইনখন সংশোধন কৰা হৈছে।" আইনখনৰ নাম কি? আইনখনৰ কোনটো দফাৰ পৰা এটা অংশ ভলন্টীয়াৰজনে ৰাইজক পঢ়ি শুনাইছিল?

(গ) সৰু গোসাঁনী কাৰ পত্নী আৰু কোন ঠাইৰ জীয়ৰী আছিল?

(ঘ) দিবাকৰ ভাগৱতীৰ নাম কিয় জোকৰাম ভাগৱতী হৈছিল?

(ঙ) পূৰবী বৰমুদৈৰ গল্পৰ *দুটা* বৈশিষ্ট্য লিখা।

(চ) অসমীয়া চুটিগল্পৰ বিকাশত 'আৱাহন' কাকতৰ বিশেষ ভূমিকা আছে। 'আৱাহন'ত প্ৰকাশিত *দুটা* গল্পৰ নাম গল্পকাৰ *দুজনৰ* নামৰ সৈতে লিখা।

(ছ) গ্ৰাম্য জীৱনৰ ছবি ফুটি উঠা হোমেন বৰগোহাঞিৰ *দুটা* গল্পৰ নাম লিখা।

(জ) লক্ষ্মীধৰ শৰ্মাৰ এটা গল্পৰ আধাৰত একে নামেৰে এখন নাটক ৰচনা কৰা হৈছিল। গল্পটোৰ নাম আৰু নাট্যকাৰজনৰ নাম লিখা।

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ ৫×৪=২০

(ক) "বাপু তহনাই ঠিকেই কৈছা, পিপাটোৰ ডিঙিক গেলি সেইদিনা তেল নুঠিল। তদুপৰি সিকিৰ জাগাত আজিকালি দুটা দুটা ছৱতীয়াহে ঠগিৰ লগত দিয়ে।" কথাষাৰ কোনে, কাক আৰু কি প্ৰসংগত কৈছিল?

(খ) গিৰিবালা চৰিত্ৰটোৰ মাজেৰে বৈধব্য জীৱনৰ যন্ত্ৰণা কেনেদৰে প্ৰকাশ পাইছে, লিখা।



ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon : Assam

(গ) বঙৰাৰ লাতু গোসাঁইৰ বিষয়ে লিখা।

(ঘ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত থকা কানি খোলাৰ বিৱৰণ এটা দিয়া।

(ঙ) অসমীয়া জীৱনীমূলক উপন্যাস সম্পৰ্কে চমুকৈ লিখা।

(চ) যোগেশ দাসৰ 'বৰদেউতা' গল্পত সমাজৰ প্ৰহৰী ৰূপত ৰমেশৰ চৰিত্ৰটোৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ছ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটিত মালতীয়ে কেঁচুৱাটোৰ মুখত কি কি দেখিছিল?

(জ) হোমেন বৰগোহাঞিৰ গল্পত মূল্যবোধৰ দ্বন্দ্ব কেনেদৰে প্ৰকাশ পাইছে তেওঁৰ *যিকোনো এটা* গল্পৰ আধাৰত লিখা।

৪। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ ১০×৪=৪০

(ক) 'ৰাজনীতি নুবুজা মানুহ' গল্পটোত ৰাজনীতিৰ মেৰপাকে সাধাৰণ মানুহৰ জীৱন জ্বলাই চাৰখাৰ কৰাৰ যি বিৱৰণ আছে সেয়া তোমাৰ নিজৰ বিশ্লেষণসহ লিখা।

(খ) লক্ষ্মীধৰ শৰ্মাই 'নীনা' গল্পত যিখন কল্পনাময় জগতৰ সৃষ্টি কৰিছে তাৰ বিৱৰণ দাঙি ধৰা।

(গ) 'বৰদেউতা' গল্পৰ ৰমেশৰ চৰিত্ৰটোৰ মাজেৰে সমাজৰ শোষণকাৰী শ্ৰেণীৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঘ) 'বৰদেউতা' গল্পৰ বৰদেউতাজনে সমাজৰ কেনে চৰিত্ৰৰ মানুহক প্ৰতিনিধিত্ব কৰিছে? মায়াৰ কথা শুনি তেওঁৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল, লিখা।

(ঙ) অসমীয়া চুটিগল্পৰ বিকাশত বাতৰি-কাকত, আলোচনীৰ বৰঙণিৰ বিষয়ে আলোচনা কৰা।

(চ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত লোকভাষাৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

(ছ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত আঞ্চলিক উপন্যাসৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

(জ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ মাজেৰে ঔপন্যাসিকৰ জীৱন দৰ্শন কেনেদৰে ফুটি উঠিছে?

(ঝ) 'স্বাজোত্তৰ কালৰ অসমীয়া উপন্যাস'ৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।



(ঞ) "জোনাকী যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন যুগত সেই জোৱাৰ উঠে গল্পৰ ক্ষেত্ৰত।" এই উক্তিৰ আধাৰত আৱাহন যুগৰ গল্প সম্পৰ্কে এটি নিৱন্ধ যুগুত কৰা।

DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon : Assam